আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

দিনাংক: ২১|০২|২০২৬

হাজী আনফৰ আলী কলেজ, ডবকা

হাজী আনফৰ আলী কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত ২১|০২|২০২৬ তাৰিখে মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। অসমীয়া বিভাগৰ বিভাগীয় মুৰব্বী শ্ৰীমতী তুলিকা গোস্বামীয়ে সভাপতিত্ব কৰা সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° কবিতা দেৱী মহোদয়াই। সভাত মাতৃভাষা দিৱসৰ প্ৰাসংগিকতা সম্পৰ্কে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° আব্দুল মালিক মহোদয় আৰু শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক আব্দুল মোতালিব মহোদয়ে। মাতৃভাষা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা পাঠ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। হোমেন বৰগোহাঞিৰ 'আইতা' শীৰ্ষক কবিতা পাঠ প্ৰতিযোগিতাৰ অনুষ্ঠানটি পৰিচালনা কৰে অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° কবিতা দেৱী মহোদয়াই। প্ৰতিযোগিতাত প্ৰথম স্থান পায় স্নাতক দ্বিতীয় ষাণ্মাসিকৰ পূৰ্ণিমা ৰাউত, দ্বিতীয় স্নাতক দ্বিতীয় ষাণ্মাসিকৰ সংগীতা সাহা, তৃতীয় ক্ৰমে স্নাতক দ্বিতীয় ষাণ্মাসিকৰ নুৰ হুছেইন, বিষ্ণু বংশী আৰু মিনুৱাৰা বেগম।